**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-04-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::::::***

১। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে শেহতীয়াকৈ ঘোষণা হোৱা যুদ্ধবিৰতিৰ ফলত পশ্চিম এছিয়াত স্থায়ী শান্তি আৰু নিৰাপত্তাৰ বাট মুকলি হ'ব বুলি আশা প্ৰকাশ কৰিছে।

২। অসম, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনী প্ৰক্ৰিয়াক ২২ খন দেশৰ আন্তৰাষ্ট্ৰীয় প্ৰতিনিধিয়ে প্ৰশংসা কৰিছে।

৩। পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্য্যায়ৰ বাবে মনোনয়ন পত্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ লগে লগে ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে।

৪। ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ যোগান স্বাভাৱিক হৈ আছে বুলি কেন্দ্ৰীয় চৰকাৰে জানিবলৈ দিছে।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত নিউ চণ্ডীগড়ৰ মুল্লানপুৰত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে ৬ উইকেটত জয়লাভ কৰিছে।

০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে শেহতীয়াকৈ ঘোষণা হোৱা যুদ্ধবিৰতিৰ ফলত পশ্চিম এছিয়াত স্থায়ী শান্তি আৰু নিৰাপত্তাৰ বাট মুকলি হ'ব বুলি আশা প্ৰকাশ কৰিছে। চৌদি আৰবৰ বাণিজ্য মন্ত্ৰী ডঃ মজিদ বিন আব্দুল্লা আল কাচাবিৰ সৈতে হোৱা ভাৰ্চুৱেল বাৰ্তালাপত শ্ৰীগোৱেলে এইদৰে কয়। বিভিন্ন বাধা বিঘিনি আৰু যুদ্ধৰ অস্থিৰতাৰ মাজতো চৌদি আৰবৰ যোগান শৃংখলৰ স্থিতিস্থাপকতা বজাই ৰখাৰ মনোভাৱক শ্ৰীগোৱেলে প্ৰশংসা কৰে। সংঘাটৰ সময়ত দেশত হোৱা আক্ৰমণক গৰিহণা দিয়াৰ বিপৰীতে ভাৰতীয়সকলক সুৰক্ষা প্ৰদানৰ বাবে চৌদি আৰবে কৰা প্ৰচেষ্টাৰো তেওঁ শলাগ লয়।

০০০০০

অসম, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনী প্ৰক্ৰিয়াক ২২ খন দেশৰ আন্তৰাষ্ট্ৰীয় প্ৰতিনিধিয়ে প্ৰশংসা কৰিছে। নিৰ্বাচন আয়োগে আয়োজন কৰা আন্তৰাষ্ট্ৰীয় নিৰ্বাচনী দৰ্শনাৰ্থী কাৰ্যসূচী ২০২৬ ৰ অংশ হিচাপে মুঠ ৩৮ জন প্ৰতিনিধি ভাৰত ভ্ৰমণলৈ আহিছিল। এটা বিবৃতিযোগে আয়োগে কয়, যে ভোটগ্ৰহণৰ নিৰৱচ্ছিন্ন পৰিচালনা আৰু জনসাধাৰণৰ ভোটদানৰ হাৰে বিদেশী প্ৰতিনিধিসকলক আকৃষ্ট কৰিছে। দলটোৱে ভাৰতৰ নিৰ্বাচন পৰিচালনাৰ সাক্ষী হোৱাৰ সুযোগ পোৱাৰ বাবে নিৰ্বাচন আয়োগক কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে আয়োগৰ স্বচ্ছতা আৰু দক্ষতাৰ বাবে প্ৰশংসা কৰে। ক্ৰয়েছিয়াৰ প্ৰতিনিধি ব্ৰানিমিৰ ফাৰ্কাছে নিৰ্বাচনী প্ৰক্ৰিয়া নিখুট বুলি প্ৰশংসা কৰাৰ লগতে জনসাধাৰণৰ অংশগ্ৰহণ পৰ্যবেক্ষণ কৰি এয়া গণতন্ত্ৰৰ উৎসৱ বুলি অভিহিত কৰে। প্ৰতিনিধিসকলে ভোটগ্ৰহণ কেন্দ্ৰৰ এশ শতাংশ ৱেবকাষ্টিং নিৰীক্ষণ কৰা চি চি টিভি নিয়ন্ত্ৰণকক্ষসমূহো পৰ্যবেক্ষণ কৰি ইয়াক নিৰ্বাচনী স্বচ্ছতাৰ শক্তিশালী স্তম্ভ বুলি উল্লেখ কৰে। প্ৰতিনিধিসকলে ভোটদান প্ৰক্ৰিয়াৰ লগতে ম'ক প'ল প্ৰক্ৰিয়াও পৰ্যবেক্ষণ কৰে। তেওঁলোকে সংবাদ মাধ্যমৰ নিৰীক্ষণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি ই ভি এম, ড্ৰোন ভিত্তিক চোৱাচিতা কৰা দল আৰু ফ্লাইং স্কোৱাদকে ধৰি প্ৰযুক্তিৰ ব্যৱহাৰৰ প্ৰশংসা কৰে। কেৰালামত জেন জি থীমৰ ভোটগ্ৰহণ কেন্দ্ৰ আৰু পুডুচেৰীত ৰবট সহায়ক ব্যৱস্থাৰ দৰে উদ্ভাৱনীমূলক পদক্ষেপৰো প্ৰশংসা কৰে।

০০০০০

পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্য্যায়ৰ বাবে মনোনয়ন পত্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ লগে লগে ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। জ্যেষ্ঠ বিজেপি নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনৰ কাটোৱা, জংগিপুৰ আৰু কুছমন্দিত তিনিটা নিৰ্বাচনী ৰেলীত অংশগ্ৰহণ কৰে। শাসনাধিষ্ঠ তৃণমূল কংগ্ৰেছক দুৰ্নীতি আৰু অপশাসনৰ দোষেৰে দোষী বুলি দাবী কৰি শ্ৰী মোদীয়ে বিজেপি শাসনলৈ আহিলে এটা স্বচ্ছ আৰু নিৰপেক্ষ  কাৰ্যপ্ৰণালী গঠন কৰা হ'ব বুলি মন্তব্য কৰে। দলটোৰ অন্য এজন জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি ৰাজ্যখনৰ বাঁকুড়াত নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ নেতৃত্বত দলটোৱে ৰাজ্যখনৰ অৰ্থনৈতিক পৰিকাঠামো ধংস কৰিছে বুলি দাবী কৰে। ইফালে শাসনাধিষ্ঠ তৃণমূল কংগ্ৰেছে বিজেপিক বাংলা ভাষা বিৰোধী স্থিতি গ্ৰহণ কৰা বুলি তীব্ৰ সমালোচনা কৰে। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে পশ্চিম মেদিনীপুৰ আৰু ঝাড়গ্ৰামত দুখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি বিজেপিক ধৰ্মীয়  মেৰুকৰণৰ বাবে জগৰীয়া কৰে।

উল্লেখযোগ্য যে, ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ বাবে দাখিল কৰা ১ হাজাৰ ৫২৫ খন মনোনয়নৰ ভিতৰত ১ হাজাৰ ৪৬৩ খন বৈধ  বিবেচিত হৈছে আৰু ৬২ খন অগ্ৰাহ্য কৰা হৈছে। ৰাজ্যখনত অহা ২৯ এপ্ৰিলত দ্বিতীয় পৰ্য্যায়ত ১৪২ টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।  এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ১৩ এপ্ৰিল ধাৰ্য্য কৰা হৈছে। ইপিনে, ৰাজ্যখনৰ ১৬ খন জিলাৰ ১৫২ টা সমষ্টিত অহা ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। এই পৰ্যায়ত ১ হাজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ৰাজ্য খনত পূৰ্বৰ নিৰ্বাচনৰ তুলনাত এইবাৰ প্ৰাৰ্থীৰ সংখ্যা কিছু বৃদ্ধি পাইছে। কোচবিহাৰ দক্ষিণ আৰু ইটাহাৰ সমষ্টিৰ পৰা সৰ্বাধিক ১৫ গৰাকীকৈ প্ৰাৰ্থী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। চন্দ্ৰকনা সমষ্টিত সৰ্বনিম্ন ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০

অসমৰ শ্ৰীভূমি জিলাৰ উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ বেবিলেণ্ড ইংলিছ হাইস্কুল ভোটকেন্দ্ৰত পুনৰ ভোটগ্ৰহণ ইতিমধ্যে শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে। পুনৰ ভোটগ্ৰহণৰ সময়ত কেন্দ্ৰটোত ৬১ দশমিক ৬-৭ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। উল্লেখযোগ্য যে, যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত ভোটগ্ৰহণৰ দিনা ৰিগিঙৰ অভিযোগত নিৰ্বাচন আয়োগৰ সচিবালয়ে জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ৫৮ নম্বৰ ধাৰা অনুসৰি কেন্দ্ৰটোত হোৱা ভোটগ্ৰহণ বাতিল কৰিছিল। স্থানীয় বাসিন্দাসকলে পুনৰ ভোটগ্ৰহণৰ সিদ্ধান্ত নিৰ্বাচনী স্বচ্ছতা আৰু নিৰপেক্ষতাৰ দিশত ইতিবাচক পদক্ষেপ বুলি মন্তব্য কৰিছে।

০০০০০

ত্ৰিপুৰা জনজাতি অঞ্চল স্বায়ত্ত শাসিত জিলা পৰিষদৰ নিৰ্বাচনৰ বাবে কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পুৱা সাত বজাৰ পৰা বিয়লি ৪ বজালৈ ২৮ খন আসনৰ বাবে পৰিষদৰ এহেজাৰ ২৫৭ টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৰাজ্যিক নিৰ্বাচন আয়ুক্ত অনুৰাগ সেনে জনোৱা মতে, মুক্ত, নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰয়োজনীয় সকলো প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। আয়ুক্তগৰাকীয়ে ভোটদাতাসকলক ভয় বা সংকোচ পৰিহাৰ কৰি মুক্তমনে ভোটদান কৰিবলৈ আহ্বান জনাইছে। এইবাৰ নিৰ্বাচনত মুঠ ১৭৩ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। অহা ১৭ এপ্ৰিলত ভোটগণনা কৰা হ'ব।

০০০০০

তামিলনাডুত নিৰ্বাচন আয়োগে ৰাজ্যিক গৃহ সচিব ধীৰাজ কুমাৰক বদলি কৰিছে। নিৰ্বাচন আয়োগে মণিবাছনক গৃহ সচিব হিচাপে নিযুক্তি দিছে। ইয়াৰ পূৰ্বে নিৰ্বাচন আয়োগে ৰাজ্যখনৰ মুখ্য সচিব এন মুৰুগানন্দম, আৰক্ষী সঞ্চালক প্ৰধান ভিজিলেন্স দেভিড দেৱশিৰবথম আৰু চেন্নাই আৰক্ষী আয়ুক্ত অৰুণক বদলি কৰিছিল।

০০০০

ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ যোগান স্বাভাৱিক হৈ আছে আৰু কালি ৫১ লাখৰো অধিক চিলিণ্ডাৰ যোগান ধৰা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে জানিবলৈ দিছে। পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে এটা বিবৃতিত জনোৱা অনুসৰি ৰন্ধন গেছৰ ক'লা বজাৰ ৰোধৰ বাবে সমগ্ৰ দেশতে বলবৎকাৰী ব্যৱস্থা অব্যাহত আছে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ ২৩ মাৰ্চৰ পৰা শিক্ষাৰ্থী আৰু শ্ৰমিকক ১২ লাখতকৈও অধিক ৫ কেজি ওজনৰ মুক্ত বাণিজ্য ৰন্ধন গেছৰ চিলিণ্ডাৰৰ যোগান ধৰা হৈছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কালি দুদিনীয়া মৰিছাছ ভ্ৰমণৰ সামৰণি মাৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে মৰিছাছ ভ্ৰমণৰ ফলত স্বাস্থ্য, পৰিৱেশ অনুকূল, শিক্ষা আৰু আন্তঃগাথনিকে ধৰি মূল খণ্ডসমূহত পৰিৱৰ্তন আশা কৰা হৈছে। এই ভ্ৰমণে বহনক্ষম আৰু জনকেন্দ্ৰীক অংশীদাৰিত্বৰ ওপৰতো গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে ড° জয়শংকৰে মৰিছাছত অনুষ্ঠিত নৱম ভাৰতীয় মহাসাগৰ সন্মিলনত অংশগ্ৰহণ কৰি কালি বিভিন্ন দেশৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হৈছিল। মন্ত্ৰীগৰাকীয়ে মৰিছাছৰ ৰাষ্ট্ৰপতি ধৰমবীৰ গোখুলক কালি সাক্ষাৎ কৰি সামাজিক মাধ্যমৰ এটা বাৰ্তাত দুয়োপক্ষৰ মাজত হোৱা কথা-বতৰাত দেশ দুখনৰ মাজত থকা বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত হোৱা বুলি উল্লেখ কৰিছিল।

ooooo

পবিত্ৰ ইষ্টাৰত ৰাছিয়াৰ দ্বাৰা প্ৰস্তাৱিত যুদ্ধ বিৰতিৰ পূৰ্বে ইউক্ৰেইনৰ অ'দেছা চহৰত কালি নিশা ড্ৰোন আক্ৰমণত দুজন লোক নিহত হয়। কৃষ্ণ সাগৰৰ বন্দৰ চহৰত সংঘটিত আক্ৰমণত আন দুজন লোক আহত হয়। স্থানীয় কৰ্তৃপক্ষই আজি জনোৱা অনুসৰি ড্ৰোনে আৱাসী এলেকাত আক্ৰমণ কৰাৰ ফলত কেইবাটাও অট্টালিকা আৰু আৱাসিক গৃহ ক্ষতিগ্ৰস্ত হয়।

ইউক্ৰেইনৰ বায়ু সেনাৰ তথ্য অনুসৰি ৰাছিয়া নিশাটোৰ ভিতৰত ১৬০ খন ড্ৰোন নিক্ষেপ কৰিছিল। ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি সৰ্বমুঠ ৯৯ খন ইউক্ৰেইনৰ ড্ৰোন থিতাতে ধবংস কৰা হৈছে। ইয়াৰ পূৰ্বে ৰাচিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে পবিত্ৰ ইষ্টাৰ সপ্তাহৰ শেষৰ ফালে ৩২ ঘণ্টীয়া যুদ্ধবিৰতি ঘোষণা কৰি সেনা বাহিনীক শত্ৰুতা তথা যুদ্ধ বন্ধ কৰিবলৈ নিৰ্দেশ দিছিল। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কীয়ে কয় যে ইউক্ৰেইন যুদ্ধবিৰতিৰ ক্ষেত্ৰত যিকোনো কাৰ্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ সাজু। ইয়াৰ পূৰ্বে তেওঁ পবিত্ৰ ইষ্টাৰ সপ্তাহৰ সময়ছোৱাত শক্তি আন্তঃগাথনিৰ ওপৰত কৰা আক্ৰমণ সাময়িকভাৱে স্থগিত ৰখাৰ প্ৰস্তাৱ দিছিল।

oooo

নাইজেৰিয়াৰ ৰাজধানী আবুজাত সপ্তাহজুৰি অনুষ্ঠিত গণবিচাৰৰ পাছত দেশখনে ৩৮৬ জন ইছলামিক সন্ত্ৰাসবাদীক দোষী সাব্যস্ত কৰিছে। নাইজেৰিয়াৰ মহাধিবক্তা লতিফ ফগবেমীয়ে কয় যে ফেডাৰেল হাইকোৰ্টত ইতিমধ্যে ৫০০ ৰো অধিক গোচৰৰ শুনানি গ্ৰহণ কৰা হৈছে। ইয়াৰে ৩৮৬ জন সন্দেহযুক্ত লোকক দোষী সাব্যস্ত কৰা হৈছে। তেওঁ লগতে কয় যে শুনানিৰ পাছৰ পৰ্যায় মে' মাহৰ শেষৰ ফালে আৰম্ভ কৰা হ'ব। উল্লেখযোগ্য যে এই শুনানিৰ প্ৰক্ৰিয়া ২০১৭ বৰ্ষৰ বকোহাৰা আৰু ইছলামিক পশ্চিম আফ্ৰিকা প্ৰদেশৰ সৈতে সংযুক্ত ২ হেজাৰ গৰাকী সন্দেহযুক্ত লোকৰ শুনানিৰ সময়ৰ পৰা অব্যাহত আছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি মধ্য প্ৰদেশৰ ৰাইছেন জিলাৰ দছেৰা ময়দানত তিনিদিনীয়া উন্নত কৃষি মহোৎসৱ মুকলি কৰে। আজিৰে পৰা ১৩ এপ্ৰিললৈ অনুষ্ঠিত হ'বলগীয়া এই মহোৎসৱত ড্ৰ'ণ, সৌৰ পাম্প আৰু ক্ষুদ্ৰ জলসিঞ্চনকে ধৰি অত্যাধুনিক প্ৰযুক্তিসমূহ প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱৰ সময়ছোৱাত বিশেষজ্ঞসকলে কৃষিত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ পৰা সংহত কৃষি পদ্ধতিলৈ বিভিন্ন দিশ সামৰি ২০ টা বিষয়ত খেতিয়কৰ সৈতে পোনপটীয়াকৈ মত-বিনিময় কৰিব। মহোৎসৱত

৩০০ ৰো অধিক প্ৰদৰ্শনকাৰী আৰু ৫০ হাজাৰৰো অধিক খেতিয়কে অংশগ্ৰহণ কৰাৰ কথা। ১৩ এপ্ৰিলৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী উপস্থিত থাকিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত নিউ চণ্ডীগড়ৰ মুল্লানপুৰত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে ৬ উইকেটত জয়লাভ কৰিছে। চানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ছটা উইকেট হেৰুৱাই ২১৯ ৰান সংগ্ৰহ কৰিছিল।

ইপিনে, চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কিছুসময় পাছতে হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছ আৰু ডেলহী কেপিটেলছ মুখামুখি হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ